# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম          বিষয় ঃ ভাষা-১ (অসমীয়া)          তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফল ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দ লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ থকা শব্দৰে বাক্য আৰু পাঠ পঢ়ি ভালদৰে বুজি পাব আৰু পাঠৰ প্ৰসংগত কৰা প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত বিপৰীত শব্দ, সমাৰ্থক শব্দ, বিপৰীত লিংগবাচক শব্দ আদিৰ অৰ্থ লিখি উলিয়াব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) ভতুৰা আৰু খঁকুৱাৰ খৰিয়াল | - পাঠ নং ৯ |
| খ) তিনিটা মাছৰ কাহিনী | - পাঠ নং ১০ |
| গ) অমলপ্ৰভা দাস | - পাঠ নং ১১ |
| ঘ) আগতে নিজে নিকা হ' | - পাঠ নং ১২ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন-২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

২০১৭ চনৰ 'গুণোৎসৱ' আৰু 'নাছ'ৰ পঞ্চম শ্ৰেণীৰ মূল্যায়নৰ তথ্য পৰ্যালোচনা কৰি পোৱা গৈছে যে ব্যাকৰণৰ ক্ষেত্ৰত দক্ষতা আহৰণত ছাত্ৰ-ছাত্ৰীসকল এতিয়াও বহু পাছ পৰি আছে। যদিও তৃতীয় আৰু চতুৰ্থ শ্ৰেণীতেই ছাত্ৰ-ছাত্ৰীসকলে যুক্তাক্ষৰযুক্ত শব্দ লিখিব আৰু পঢ়িব পৰা হ'ব লাগে, বাস্তৱ ক্ষেত্ৰত পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰো যুক্তাক্ষৰৰ লিখন আৰু পঠনৰ অৰ্হতাৰ এখন দুখ লগা ছবি দেখিবলৈ পোৱা গৈছে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰযুক্ত শব্দৰ বিপৰীত শব্দ, সমাৰ্থক শব্দ, বিপৰীত লিংগবাচক শব্দ আদি উলিয়াবলৈ সক্ষম নহয়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক এই ক্ষেত্ৰত অৰ্হতা আহৰণৰ বাবে পাঠ্যপুথিৰ বাহিৰেও আমি শিক্ষকসকলে নিজে কিছুমান ক্ৰিয়া-কলাপ উলিয়াই ছাত্ৰ-ছাত্ৰীসকলক দিব পাৰোঁ। মুঠতে ছাত্ৰ-ছাত্ৰীয়ে ভাষা শুদ্ধকৈ লিখিব আৰু পঢ়িব পৰা হোৱাকৈ আমি শিক্ষকসকলে কৰিব পৰা শিকন পৰিকল্পনা, ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰী প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম।**

⇨ ছাত্ৰ-ছাত্ৰীৰ পাঠ এটি বোধগম্য হ'বলৈ যুক্তাক্ষৰৰ জ্ঞান অতি গুৰুত্বপূৰ্ণ । যুক্তাক্ষৰ গঠন কৰোঁতে স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ মাজত সংযোগৰ ফলত সৃষ্টি হোৱা যুক্ত বৰ্ণ বা যুক্তাক্ষৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংশয় জন্মায়। তাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে পাঠটোৰ পঠনৰ ক্ষেত্ৰত আৰু তাৰ অৰ্থ বুজাৰ ক্ষেত্ৰত অসুবিধা পায়। ছাত্ৰ-ছাত্ৰীসকলে যাতে শুদ্ধভাৱে যুক্তাক্ষৰ আৰু যুক্তাক্ষৰযুক্ত শব্দৰ পঠন আৰু পাঠোদ্ধাৰ কৰিব পাৰে তাৰ বাবে আমি শিক্ষকসকলে শিকন প্ৰক্ৰিয়াত অতিৰিক্ত সমল সংযোগ কৰাত গুৰুত্ব দিব লাগিব।

⇨ ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰযুক্ত সমাৰ্থক শব্দ, বিপৰীত শব্দবোৰৰ অৰ্থবোৰ বোধগম্য হ'ব আৰু তেওঁলোকে এইবোৰ পঠন আৰু লিখনত সুন্দৰভাৱে ব্যৱহাৰ কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে বাক্যত ব্যৱহৃত পদসমূহ ব্যৱহাৰৰ কৌশল আয়ত্ত কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয়।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ এই সমল সামগ্ৰীৰ পৰা আমি পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত উল্লেখ কৰা শিকন ঘাটিসমূহ পূৰণৰ বাবে শ্ৰেণীকোঠাত নতুন কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

⇨ ক্ৰিয়া-কলাপৰ অনুশীলনেৰে পঠন ক্ষমতা বৃদ্ধি কৰিব পাৰিম।

⇨ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পাঠত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ অতিৰিক্ত ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।

পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ যুক্তাক্ষৰৰ শুদ্ধ উচ্চাৰণ আৰু শব্দৰ অৰ্থ বোধগম্য হ'বৰ বাবে নতুন ক্ৰিয়া-কলাপ দিব পাৰি, উদাহৰণ স্বৰূপে সমাসবদ্ধ শব্দ গঠন কৰিবলৈ দিব পাৰি।

| | | | |
|---|---|---|---|
| শব্দ ব্ৰহ্ম | ৰক্ত বৰ্ণ | দীপ্ত সূৰ্য | অঙ্গ বস্ত্ৰ |
| গন্ধ পুষ্প | তীক্ষ্ণ অস্ত্ৰ | শুভ্ৰ শংখ | শুভ্ৰ বস্ত্ৰ |

⇨ অৰ্থ প্ৰকাশক যুক্তাক্ষৰযুক্ত নতুন নতুন শব্দ গঠন কৰিবলৈ দিব পাৰিম।

স্ত, ক্ষ্ম, ঙ্গ, ন্ধ, ভ্ৰ, ঞ্চ, স্ম, শ্ব, শ্ৰু।

⇨ ক্ৰিয়া-কলাপেৰে আৰু অনুশীলনেৰে ছাত্ৰ-ছাত্ৰীক বিশেষ্য পদক বিশেষণ পদলৈ পৰিৱৰ্তন কৰাবলৈ অভ্যাস কৰাব পাৰিম।

⇨ শব্দবোৰৰ অৰ্থ বুজি লৈ বিপৰীত শব্দ, সমাৰ্থক শব্দ উলিয়াবলৈ আৰু বাক্যত ব্যৱহাৰ কৰিবলৈ দিব পাৰিম।

⇨ পাঠত থকা লিঙ্গবাচক শব্দবোৰৰ বিপৰীত শব্দ উলিয়াবলৈ দিব পাৰিম।

⇨ অভ্যাস অনুশীলনৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ লগতে আমি আত্ম মূল্যায়নৰো সুবিধা পাম আৰু উদ্ভাৱনীমূলক চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা অধিক গতিশীল আৰু আকৰ্ষণীয় কৰি তুলিব পাৰিম।

**ব্যাৱহাৰিক ব্যাকৰণৰ বিকাশৰ ব্যৱস্থাৱলী—**

⇨ এই সমলটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ সম্পৰ্কীয় আসোঁৱাহসমূহ দূৰ কৰিব পাৰিব আৰু সেই যুক্তাক্ষৰযুক্ত শব্দবোৰ শুদ্ধভাৱে বাক্যত প্ৰয়োগ কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে অভ্যাস, অনুশীলনৰ জৰিয়তে পাঠ্যপুথিৰপৰা ব্যাৱহাৰিক ব্যাকৰণ শিকি কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ থকা শব্দ, বাক্য আদি শুদ্ধ উচ্চাৰণৰে পঢ়িব পাৰিব।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ -শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) যুক্তাক্ষৰযুক্ত শব্দ লিখিব পাৰিব আৰু বাক্যত ব্যৱহাৰ কৰিব পাৰিব। | ⇨ যুক্তাক্ষৰযুক্ত শব্দ থকা কাৰ্ড<br>⇨ চাৰ্ট পেপাৰ। | ক্ৰিয়া-কলাপ | ক) দুজন পৃথিৱী বিখ্যাত বিজ্ঞানীৰ নাম লিখি তেওঁলোকৰ নামত থকা যুক্তাক্ষৰবোৰ ভাঙি দেখুৱাই দিয়া আৰু যুক্তাক্ষৰকেইটাৰে নতুন শব্দ গঠন কৰি সেই শব্দ কেইটাৰে বাক্য সাজা। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| খ) যুক্তাক্ষৰযুক্ত শব্দৰ বিপৰীত শব্দ লিখি বাক্য ৰচনা কৰিব পাৰিব। | ⇨ যুক্তাক্ষৰযুক্ত শব্দৰ বিপৰীত যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা। | ক্ৰিয়া-কলাপ | খ) তলত দিয়া যুক্তাক্ষৰযুক্ত শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা —<br>পুৰস্কাৰ, প্ৰত্যক্ষ, বন্ধু, বিস্তৃত, সুস্থ, স্থিৰ, হ্ৰাস, শান্তি, বিশ্বাস। | |
| গ) যুক্তাক্ষৰ ব্যৱহাৰ কৰি শব্দ গঠন কৰিব পাৰিব। | যুক্তাক্ষৰৰ তালিকা | ক্ৰিয়া-কলাপ | গ) তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি নতুনকৈ শব্দ গঠন কৰা—<br>জ্ঞ, ন্ন, স্থ, স্ব, দ্ৰু, ষ্ঠ, ষ্ট, চ্ছ, ন্ধ, দ্ব। | |

**ক্ষেত্ৰ অধ্যয়ন (Case Study)**

জুৰি শৰ্মা বাইদেউ গুৱাহাটী মহানগৰৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অসমীয়া বিষয়ৰ শিক্ষয়িত্ৰী। তেখেতে শ্ৰেণীকোঠাত ভাষা পঢ়ুৱাবলৈ গৈ দেখিলে যে যুক্তাক্ষৰৰ ক্ষেত্ৰত পঠন আৰু লিখনত শিকন ঘাটি আছে। ছাত্ৰ-ছাত্ৰীৰ পঠনত ঘাটি থকা বাবে পাঠটো বোধগম্য হোৱা নাছিল। ইয়াৰ ফলত প্ৰশ্নৰ উত্তৰসমূহ শুদ্ধৰূপত লিখিব পৰা নাছিল। জুৰি শৰ্মা বাইদেউৱে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ এই ঘাটি কেনেদৰে পূৰণ কৰা সম্ভৱ হ'ব তাৰ বাবে সহকৰ্মী আন শিক্ষকসকলৰ লগত আলোচনাত মিলিত হ'ল। আলোচনাৰ সিদ্ধান্ত মৰ্মে এই শিকনৰ ঘাটি পূৰণৰ বাবে কি নতুন ক্ৰিয়া-কলাপ আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়া প্ৰয়োগ কৰিলে আৰু তাৰ কি সুফল লাভ কৰিলে চাওঁ আহক—

জুৰি শৰ্মা বাইদেউৱে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কেইটিমান গান, পুৰণি আলোচনীৰ পৰা বাছি উলিওৱা কেইটামান প্ৰৱন্ধ, সাধুকথা আৰু কবিতা সংগ্ৰহ কৰিলে। তেখেতে লক্ষ্য কৰিলে যাতে যুক্তাক্ষৰযুক্ত শব্দ সেইবোৰত যথেষ্ট থাকে। সেই শব্দবোৰেৰে এখন চাৰ্ট পেপাৰত তালিকা প্ৰস্তুত কৰিলে। আন এখন চাৰ্ট পেপাৰত যুক্তাক্ষৰবোৰৰ ভাঙনি ৰূপৰ তালিকা প্ৰস্তুত কৰি ল'লে। শ্ৰেণীকোঠাত প্ৰথমতে ২০ জন ছাত্ৰ-ছাত্ৰীক দুটা দলত ভাগ কৰি ল'লে। তাৰে প্ৰথম দলটোক গান আৰু প্ৰৱন্ধত থকা যুক্তাক্ষৰযুক্ত শব্দবোৰ বাছি উলিয়াবলৈ দিলে। যুক্তাক্ষৰবোৰ আলোচনা কৰি ভাঙিবলৈ দিলে। তাৰ পিছত জুৰি বাইদেৱে প্ৰস্তুত কৰি ৰখা তালিকাখন বেৰত আৰি দিলে আৰু সেই যুক্তাক্ষৰযুক্ত শব্দবোৰৰ সমাৰ্থক শব্দ লিখিবলৈ দিলে। শ্ৰেণীকোঠাটো গতিশীল কৰিবলৈ শুদ্ধ সমাৰ্থক শব্দ লিখাজনক হাত চাপৰি বজাই প্ৰশংসা কৰিলে। অশুদ্ধ হোৱা সমাৰ্থক শব্দটো আন এজনক লিখিবলৈ উৎসাহিত কৰিলে। আনটো দলকো সেই একেদৰেই সাধুকথা আৰু কবিতা দি তাৰপৰা যুক্তাক্ষৰবোৰ বাছি উলিয়াবলৈ দিলে। যুক্তাক্ষৰবোৰ সকলোকে আলোচনা কৰি ভাঙিবলৈ দিলে। শব্দবোৰৰ পঠন শুদ্ধ হোৱাত যথেষ্ট গুৰুত্ব আৰোপ কৰিলে। শব্দবোৰৰ অৰ্থ উলিয়াবলৈ দিলে। ইয়াৰ পাছত যুক্তাক্ষৰযুক্ত শব্দবোৰৰ বিপৰীত অৰ্থ লিখিবলৈ দিলে। শুদ্ধকৈ লিখাজনক হাত চাপৰি দি উৎসাহিত কৰিলে আৰু অশুদ্ধ হোৱা জনক পুনৰ শুদ্ধকৈ লিখিবলৈ প্ৰেৰণা যোগালে।

শ্ৰেণীত অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক একেখিনি ক্ৰিয়া-কলাপ কৰিবলৈ দিলে।

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ যুক্তাক্ষৰৰ জটিলতা আঁতৰ কৰিবলৈ জুৰি বাইদেৱে কি কি পদক্ষেপ ল'লে?

⇨ বিভিন্ন বিষয়ৰ লগত জড়িত কৰি ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰৰ গঠন আৰু ভাঙনি কৰিবলৈ শিকোৱাৰ কাৰণে কি কি কৌশল আয়ত্ত অৱলম্বন কৰিলে।

⇨ ওপৰত উল্লেখ কৰা ধৰণে জুৰি বাইদেৱে শ্ৰেণীকোঠাত কৰা ক্ৰিয়া-কলাপৰ আলমত আমিও উদ্ভাৱনীমূলক আন ক্ৰিয়া-কলাপ ব্যৱহাৰ কৰিব নোৱাৰোনে?

জুৰি বাইদেউৱে শ্ৰেণীকোঠাত কৰা ক্ৰিয়া-কলাপটোৰ আলমত তলত দিয়া ধৰণে আমিও শ্ৰেণীকোঠাত নতুন ক্ৰিয়া-কলাপ কৰি চাওঁ আহকচোন —

**ক্ৰিয়া-কলাপ —**

পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে কিছুমান শব্দৰ সমাৰ্থক শব্দ সহজে লিখিব পাৰে—

| | | |
|---|---|---|
| আদৰ | — | মৰম |
| ঘৰ | — | গৃহ |
| উপবন | — | বাগিচা |
| কমল | — | পদুম |
| চকু | — | নয়ন |
| নদী | — | নৈ |
| বন | — | তৃণ |

কিন্তু তলত দিয়া শব্দকেইটা উচ্চাৰণ কৰাত আৰু যুক্তাক্ষৰ ভঙাত অসুবিধা পোৱা দেখা গ'ল।

অগ্নি — বহ্নি

অন্তৰীক্ষ— অম্বৰ

কুটুম্ব — জ্ঞাতি

গন্ধ — আঘ্ৰাণ

ছিদ্ৰ — বিন্ধা

**প্ৰস্তুতি —**

তলত দিয়া তালিকা আৰু সামগ্ৰীসমূহ আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব লাগিব।

- ⇨ যুক্তাক্ষৰযুক্ত শব্দবোৰৰ এখন তালিকা প্ৰস্তুত।
- ⇨ যুক্তাক্ষৰযুক্ত শব্দবোৰৰ যুক্তাক্ষৰযুক্ত সমাৰ্থক শব্দৰ তালিকা।
- ⇨ যুক্তাক্ষৰযুক্ত শব্দৰ বিপৰীত যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা।
- ⇨ গান, কবিতা, প্ৰবন্ধ আদিৰ সংগ্ৰহ।

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক তিনিটা দলত ভাগ কৰি প্ৰতিটো দলক বেলেগ বেলেগ কাৰ্যকলাপ কৰিবলৈ দিব পাৰি। প্ৰথম দলটোক যুক্তাক্ষৰযুক্ত শব্দ বাছি উলিয়াবলৈ দিব পাৰি। দ্বিতীয় দলটোক যুক্তাক্ষৰযুক্ত শব্দৰ সমাৰ্থক যুক্তাক্ষৰযুক্ত শব্দ লিখিবলৈ দিব আৰু তৃতীয় দলক যুক্তাক্ষৰযুক্ত শব্দৰ বিপৰীত শব্দ উলিয়াবলৈ দিব পাৰি।

বাতৰি-কাকত আৰু আলোচনীত পোৱা শব্দবোৰ পাঠ্যপুথিত থকা শব্দবোৰৰ সৈতে মিলাব। নতুনকৈ পোৱা শব্দ আৰু আগতে পোৱা শব্দবোৰৰ অভিধানত চাই অৰ্থ লিখিব। এইদৰে নতুন নতুন শব্দবোৰ জানিব আৰু নতুন নতুন বাক্য গঠন কৰিবলৈ উৎসাহিত হ'ব।

*বিঃদ্ৰঃ*

- ⇨ পাঠদান কৰোঁতে শ্ৰেণীকোঠাত থকা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।
- ⇨ যুক্তাক্ষৰৰ পঠন আৰু লিখন কৌশল বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীক গল্পবোৰৰ নাট্যৰূপ দি অভিনযত প্ৰবৃত্ত কৰাব পাৰে।
- ⇨ শুদ্ধ উচ্চাৰণৰ বাবে কবিতা আবৃত্তি কৰিবলৈ দিব পাৰি।

**সাৰাংশ ঃ**

ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰযুক্ত শব্দ থকা পাঠৰ শিকন আৰু পঠনৰ ঘাটি পূৰণ কৰাত জুৰি শৰ্মা বাইদেউ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে সফল হৈছে। পাঠৰ অন্তৰ্ভূক্ত আৰু বহিৰ্ভূত ৰচনাৰ জৰিয়তে বাইদেৰে ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু পঠন প্ৰক্ৰিয়াত নতুনত্ব আৰু গতিশীলতা আনিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

ক) দুজন পৃথিৱী বিখ্যাত বিজ্ঞানীৰ নাম লিখি তেওঁলোকৰ নামত থকা যুক্তাক্ষৰবোৰ ভাঙি দেখুৱাই দিয়া আৰু যুক্তাক্ষৰকেইটাৰে নতুন শব্দ গঠন কৰি সেই শব্দ কেইটাৰে বাক্য সাজা ।

খ) তলত দিয়া যুক্তাক্ষৰযুক্ত শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা —

পুৰস্কাৰ, প্ৰত্যক্ষ, বন্ধু, বিস্তৃত, সুস্থ, স্থিৰ, হ্ৰাস, শান্তি, বিশ্বাস।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

⇨ তলত দিয়া শব্দবোৰৰ বিপৰীত শব্দ লিখা—

অহঙ্কাৰ, অতিবৃষ্টি, আকৰ্ষণ, আৰম্ভ, উৰ্ব্বৰ, উৎকৃষ্ট, পৰিষ্কাৰ, স্থাৱৰ।

⇨ তলত দিয়া ৰূপ সলনি হোৱা যুক্তাক্ষৰবোৰ ভাঙি লিখা —

আহ্বায়ক, জান্তৱ, জিজ্ঞাসু, অঞ্জন, মুক্তিস্তান।

⇨ তলত দিয়া **শব্দবোৰ** অৰ্থ লিখা আৰু সেইবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা।

জন্মান্ধ, পথভ্ৰষ্ট, জাতিস্মৰ, কষ্টসহিষ্ণু, গৃহস্থ।

⇨ তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি নতুনকৈ শব্দ গঠন কৰা—

জ্ঞ, ন্ন, স্থ, স্ব, দ্ৰ, ষ্ঠ, ষ্ট, চ্ছ, ন্ধ, দ্ব।

**প্ৰসঙ্গ টোকাঃ**

⇨ পাঠ্যপুথি - অংকুৰণ।

⇨ অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা - চক্ৰেশ্বৰ দাস।

⇨ **গুণোৎসৱ** আৰু **নাচ** (NAS-2017) ৰ ফলাফল।

⇨ হেমকোষ অভিধান।

***